# অসম আদিত্য

RNI REGN. …
epape…
Portal :
e-mail :

…৫৮ ■ ৬ আহিন, ১৯৪৭ শক ■ মঙলবাৰ, ২৩ ছেপ্টেম্বৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Tuesday, September 23, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰক…


## প্ৰাণৰ শিল্পীক সুঁৱৰি শোকবিহ্বল কানৈ কলেজৰ শিক্ষাৰ্থী

**ষ্টাফ ৰিপৰ্টাৰ, ২২ ছেপ্টেম্বৰ ঃ** জনতাৰ শিল্পী, যুৱ-প্ৰজন্মৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অকাল বিয়োগত ডিএইচএছকানৈ মহাবিদ্যালয়ৰ (স্বায়ত্ত শাসিত) শিক্ষাৰ্থীসকল শোকত ভাগি পৰিছে। আজিও মহাবিদ্যালয়খনৰ শিক্ষাৰ্থীসকল আবেগিক হৈ চকুপানী টুকিছে। কানৈ মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলে তেওঁলোকৰ মৰমৰ শিল্পীজন আঁতৰি যোৱাৰ অনুভৱ হয়তো হৃদয়ৰ পৰা গ্ৰহণ কৰিব পৰা নাই। আজি সন্ধিয়া সহস্ৰাধিক মহাবিদ্যালয়খনৰ শিক্ষাৰ্থীয়ে হাতে হাতে মমবাতি জ্বলাই শিল্পীজনৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে আৰু মহাবিদ্যালয়ৰ চৌহদৰ পৰা থান চাৰিআলিলৈকে এক মৌন সমদল বাহিৰ কৰে। আজি এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই। মহান শিল্পীগৰাকীৰ বিয়োগত আৱেগিক হৈ মহাবিদ্যালয়খনৰ অধ্যক্ষগৰাকীয়ে কয়— এটা উজ্জ্বল জ্যোতিষ্ক যেন পৃথিৱীৰ পৰা নোহোৱা হৈ গ'ল। মৌন সমদল বাহিৰ কৰাৰ পূৰ্বে তেওঁ কয়— জুবিন গাৰ্গে কিশোৰ অৱস্থাত বহুকেইগৰাকী শিল্পীৰ স'তে ডিব্ৰুগড়ত সংগীতৰ চৰ্চা কৰিছিল আৰু মহাবিদ্যালয়খনৰ প্ৰৱেশ দ্বাৰৰ সন্মুখতে তেওঁলোকে সংগীতৰ চৰ্চা কৰিছিল। এই ক্ষেত্ৰত তেওঁ দিগন্ত শৰ্মা, ডলী হাজৰিকা, চবিন কুমাৰ দাস, ভাস্কৰ ৰাজকোঁৱৰ, ভাস্কৰ শইকীয়া, ৰানা ৰয় প্ৰমুখ্যে বহুকেইজন শিল্পীৰ নাম ৰোমন্থন কৰে। তেওঁ শিক্ষাৰ্থীসকলক উদ্দেশ্যি কয়— সকলোৱেই যেন নিজৰ হৃদয়ত মহান শিল্পীগৰাকীক স্থান দি শিল্পীগৰাকীৰ অমৰত্ব ৰাখিবলৈ চেষ্টা কৰে। মৌন সমদল বাহিৰ কৰা অনুষ্ঠানৰ আঁত ধৰে অধ্যাপক ড০ বিৰাজ দত্তই। উল্লেখ্য যে কানৈ মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলে প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই ১৯ ছেপ্টেম্বৰৰ সন্ধিয়াও অনুৰূপ ধৰণে মমবাতি লৈ মৌন সমদল বাহিৰ কৰিছিল। আজিৰ কাৰ্যসূচীৰ উদ্যোগ লয় মহাবিদ্যালয়খনৰ ৰুক্মিণীদেৱী কানৈ ছাত্ৰী নিৱাসৰ মনিট্ৰেছ ভাৰ্চি গগৈ আৰু প্ৰণামী সন্দিকৈৰ লগতে ডিম্বেশ্বৰ চলিহা ছাত্ৰাৱাসৰ জ্যেষ্ঠ আৱাসী চিন্ময় কলিতাই।

